# জীয়া সাধু

বৰ্ণালী বৰা

বহাগ বিহুৰ বতৰ। পদ্মজা বৰাৰ বাবে আটাইতকৈ বেছি চেনেহৰ বিহু এইটো। বাকী দুটা বিহুতকৈ যেন এইটো বিহুত তেওঁৰ ব্যস্ততা দুগুণ বাঢ়ে। স্বাভাৱিকতে হ'ব, আমেৰিকাত থকা ল'ৰা, বোৱাৰী আৰু নাতিনী যেতিয়া বিহু বুলি ঘৰলৈ আহিব তেতিয়ানো কোনজনী মাকৰ ব্যস্ততা নবঢ়াকে পাৰে হয়নে? প্ৰতিবছৰৰ দৰেই এইবাৰো আহিছে সিহঁত। বছৰত এবাৰেই আহিব পাৰে সিহঁতহাল মাকৰ ওচৰলৈ। ল'ৰা-বোৱাৰীৰ হাজাৰ অনুৰোধতো পদ্মজা বৰুৱা সৈমান নহয় সিঁহতৰ লগত আমেৰিকা যাবৰ বাবে।গিৰিয়েক ঢুকুৱাৰ পাছত চহৰ এৰি তেওঁ উভতি আহিছিল গাঁৱৰ ঘৰখনলৈ । তেওঁৰ মতে, জীৱনৰ বাকীছোৱা কাল সেইখন ঘৰতেই পাৰ কৰিব পৰাকৈ তেওঁৰ সাহস আছে। কাৰো ওপৰত একো আপত্তি নাই তেওঁৰ। আনকি একমাত্ৰ ল'ৰাই আমেৰিকা যোৱাৰ কথা কোৱাৰ দিনা দেউতাকে কৰা আপত্তিক নাকচ কৰি তেওঁ কৈছিল

: যদি সি বিচৰা ধৰণে তাৰ জীৱনটো আগুৱাই নিয়াৰ ক্ষেত্ৰত তোমাৰ আপত্তি আছিলেই তেন্তে ইমান কষ্ট কৰি তাক পঢ়ুৱা ইছিলা কিয়? কি কাৰণত চাৰে তিনি বছৰতেই তাক প্ৰতিযোগিতাত নমাইছিলা?বিদ্যাৰ প্ৰতিযোগিতা সামৰি সি এতিয়া কৰ্মৰ প্ৰতিযোগিতাত নিজে নামিব বিচাৰিছে। তাক বাধা নিদিবা।

: কিন্তু আমাক কোনে চাব?

: সিয়েই চাব। আমাৰ যদি প্ৰতিপালনত ভুল হোৱা নাই তেন্তে সি নিশ্চয় চাব।

তেওঁ শুদ্ধ আছিল। সঁচাকৈয়ে তেওঁলোকৰ প্ৰতিপালনত ভুল হোৱা নাছিল যাৰ বাবে আমেৰিকাত থকা ল'ৰা-বোৱাৰীয়ে প্ৰতিদিনেই মাক- দেউতাকৰ খবৰ কৰাত এদিনো কৃপনালি কৰা নাছিল।দেউতাকৰ মৃত্যুৰ পাছত দুয়ো বৰ জোৰ কৰিছিল মাকক লগত লৈ যাবৰ বাবে। কিন্তু আঁকোৰগোজ মাক নাযায় নিজা জন্মভূমি এৰি। কিবা এটা যেন সুকীয়া টান আছে ইয়াৰ মাটিত।

এইবাৰ নাতিনীজনী আৰু এবছৰ ডাঙৰ হৈ আহিছে। তাইৰ কথাবোৰ আগতকৈও বেছি সলসলীয়া আৰু স্পষ্ট হ'ল। অসমলৈ অহাৰ আগৰ পৰাই ভিডিঅ' কলিং কৰি তাই আইতাকৰ পৰা শিকিছিল বেবেৰিবাং নামৰ কবিতাটি।উদ্দেশ্য, যোৱা বছৰৰ দৰে

এইবাৰো ভোগালী মেলাত তাই কবিতা আবৃত্তি কৰিব। পদ্মজা বৰুৱাৰ বুকুখন অহংকাৰত ফুলি উঠে যেতিয়া আমেৰিকাত থকা নাতিনীয়েকে স্পষ্ট আৰু সলসলীয়াকৈ অসমীয়াত কবিতা আবৃত্তি কৰি আজুৰি আনে পুৰস্কাৰ। এইবাৰো যেন তাৰ ব্যতিক্ৰম নোহোৱাকৈ তেওঁ প্ৰস্তুত কৰি তুলিছে নাতিনীয়েকক। এইবাৰ কিন্তু তাই আৰু এটা আব্দাৰ কৰিছে আইতাকক যে এইবাৰ তাইক তেওঁ সাধু ক'ব লাগিব। জোনাকত আগফালৰ চোতালত আইতাকৰ কোলাত মূৰ থৈ তাই শুনিব ৰজা–ৰাণীৰ সাধু,পৰীৰ সাধু,মাছৰ সাধু,তেজীমলাৰ সাধু.......

: আইতা কেতিয়া কবা মোক সাধু? দুপৰীয়া ভাত খাই উঠাৰ পাছৰ পৰাই আইতাকক সুধি আছিল তাই।

: কম মোৰ কলিজাজনী। এতিয়া অলপ শুই লোৱা , শোৱাৰ পৰা উঠি সন্ধিয়া মই তোমাক ক'ম সাধু। হ'ব? মৰমেৰে তাইক কোলাত লৈ কৈছিল আইতাকে। তাইও এজনী বাধ্য ছোৱালীৰ দৰে মূৰ দুপিয়াই আইতাকৰে বিচনাতে টোপনি গৈছিল।

কথামতেই সন্ধিয়া আইতা আৰু নাতি বহি লৈছিল আগফালৰ চোতালত। ফৰিংফুটা জোনাক। বাহিৰত ফিৰফিৰিয়া বতাহজাকত উৰি আহি নাকত লাগিছিল আগফালৰ তগৰ আৰু নাৰিকলজোপাৰ গাত ককাকে ৰুই থৈ যোৱা কপৌফুলৰ মৃদু কোমল সুবাস। আইতাকৰ ঘৰৰ এই পৰিৱেশবোৰ তাই যেতিয়া গৈ স্কুলৰ সমনীয়াবোৰক কয়গৈ,তেতিয়া এইবোৰ সিহতৰ বাবে সাধুকথাৰ দৰে হয়। আইতাকৰ কোলাত তাই মূৰ থৈ নাৰিকল পাতবোৰৰ মাজে ৰেলুকাভাকু খেলা জোনবাইটোলৈ চাই আইতাকক সুধিছিল

: আইতা মোৰ যেনেকৈ মা দেতা আছে,তেনেকৈ তোমাৰো আছে ন'?

: উম আছিল কিন্তু এতিয়া নাই।

: কিয় আইতা ক'ত গলনো এতিয়া? মই নাপালোৱেই দেখোন কথা পাতিব। আৰু ককাকো ভালকৈ লগ নাপালোৱেই। মোৰ লগৰ মেৰীৰ গ্ৰেণ্ডফাদাৰে যে তাইক সদায় স্কুলত ড্ৰপ এণ্ড পিক কৰে জানা আইতা। মোৰ যে ইমান বেয়া লাগে তেতিয়া,মোৰ যেন

গ্ৰেণ্ডপা নাই। মায়ে কৈছে মোৰ দুটা গ্ৰেণ্ডপা আছিল কিন্তু মোৰ লগত খেলাৰ আগতেই ভগৱানে দুয়োকে তৰা কৰি লৈ গ'ল। বহুত দুষ্ট ন গডটো?

: নাপায় সোণ ভগৱানক দুষ্ট বুলি কব নাপায় নহয়। তোমাৰ ককা, আজো ককা -আইতা সকলোবোৰ এতিয়া তৰা হৈ আকাশৰ পৰা আমাক চাই আছে চোৱা।

: আইতা, আজো ককা-আইতা মানে কি নো?

: মোৰ মা-দেউতা আৰু তোমাৰ মামা আইতাৰ মাক দেউতাক তোমাৰ আজো ককা আইতা হ'ব। বুজিলা?

: তাই মূৰটো খজুৱাই অলপ চিন্তা কৰে আৰু অলপ দেৰি পাছত উত্তৰ পোৱাৰ দৰে মূৰ জোকাৰি কয় ,ইয়েচ নাউ আই আণ্ডাৰষ্টেণ্ড। বাৰু আইতা এতিয়া কোৱানা সাধুটো।

:ঠিক আছে শুনা, মই আজি কম তোমাক এটা জীয়া সাধু। সাধুটোৰ নাম "ককা" দেই। এখন দেশত এজন ককা আৰু এগৰাকী আইতা আছিল। তেওঁলোকৰ দুজনী ছোৱালী আছিল। ককা আইতাই বা দুজনীক লৈ বহুত সুখী আছিল।

: বা দুজনীৰ নাম কি আছিল আইতা?

: ওওওও.....এজনীৰ নাম কুঁহি আৰু এজনীৰ জুহি। দেখিবলৈ দুয়োজনী বৰ মৰমলগা আছিল। দুয়োজনী ছোৱালী হোৱাৰ বাবে ককাক কোনোবাই কৈছিল ল'ৰা এটা জন্ম দিবলৈ।কিন্তু ককাই ল'ৰাৰ ঠাইত ছোৱালী হোৱাৰ বাবেহে বেছি আনন্দ পাইছিল। বৰ মৰমত ডাঙৰ কৰিছিল দুয়োজনীকে। ককাটোৰ কিন্তু খংটো অলপ বেছি আছিল। অকণমাণ ভুল কৰিলেই বা দুজনীক গালি পাৰিছিল। বিশেষকৈ নপঢ়াৰ বাবেটো এবাৰ কুঁহিক আঠুকঢ়াইয়ো থৈছিল।

: মোৰ ককাও এনেকুৱা আছিল নেকি আইতা? দেতাকো নি ডাউন কৰাই থৈছিল নেকি?

: উহো তোমাৰ ককাই দেতাক মৰা বাদেই, গালি এটাও পৰা নাছিল।

: তাৰ পাছত কি হ'ল?

: অ' তাৰ পাছত কি হ'ল জানা? বা দুজনী লাহে লাহে ডাঙৰ হৈ আহিল আৰু ককাটো লাহে বুঢ়া হৈ আহিল। এজনীৰ চাকৰিও হ'ল। ককাই লাহে লাহে সিহঁতৰ বিয়াৰ বাবে দৰাৰ খবৰ কৰিলে। যথাসময়ত সিহঁতৰ বিয়াও হ'ল। দুয়োজনীকে বিয়া দি ককা আইতা একেবাৰে অকলশৰীয়া হৈ পৰিছিল। ঘৰখনত কেৱল মানুহ দুটাই , সুখ দুখৰ লগৰী হৈ আছিল।

: সিহঁতে খবৰ কৰা নাছিল নেকি আাইতা?

: কৰিছিল। সদায় ফন কৰি খবৰ লৈছিল। এনেকৈয়ে দিনবোৰ ধুনীয়াকৈ পাৰ কৰিছিল ককা–আইতাই। অলপ দিন পাছত জুহিৰ এজনী ছোৱালী হৈছিল। ককাটোৱে মৰমতে তাইৰ নাম দিছিল পৰী। পৰীক পাই ককাৰ দিনবোৰ আৰু ধুনীয়া হৈ পৰিছিল।

: আইতা পৰী মানে গ্ৰেণ্ড ডটাৰ ন'? মোৰ নিচিনা? এটা দুষ্ট হাঁহি মাৰে তাই।

: ওমম মোৰ কলিজাজনীৰ দৰে দুষ্ট আছিল তাই।

: তাৰপিছত কোৱা।

: এনেকৈয়ে সময়বোৰ গৈ আছিল গৈ আছিল। এদিন দুপৰীয়া ককাটোৰ খুউব পেট বিষাইছিল। প্ৰচণ্ড বিষত ধৰফৰাই তেওঁ বৰ কষ্ট পাইছিল। বমি কৰা কৰি লেবেজান হৈ পৰিছিল। সেইসময়ত কিন্তু আইতাজনী ঘৰত নাছিল। কুঁহি আছিল ঘৰত। অলপ আগত দেউতাকৰ লগত একেলগে ভাত খাই উঠিছিলহে। ভাতসাঁজো ককাটোৱে নিজ হাতেৰে ৰান্ধিছিল। তাই প্ৰথমে গেছ হৈছে বুলি ভাবি ঔষধ দিছিল দেউতাকক। নাই একো কাম দিয়া নাছিল। তাই বৰ ভয় খাইছিল। ভয়তে তাই মাক আৰু গিৰিয়েকলৈ ফ’ন কৰি ততাতৈয়াকৈ ঘৰলৈ মাতিছিল। তেওঁলোক দুজন ঘৰ গৈ নোপোৱালৈকে তাই বৰ অসহায় অনুভৱ কৰিছিল দেউতাকক চকুৰ আগত তেনেকৈ চটফটাই থকা দেখি। ভগৱানকে স্মৰণ কৰি কৰি তাই দেউতাকৰ মূৰৰ শিতানত বহি দেউতাকক সাহস দি আছিল।

: বহুত পেইন হৈছিল ন' আইতা?

: ওমম বহুত।

: তাৰপাছত আইতাজনী আৰু কুঁহিৰ গিৰিয়েকজন গৈ পাইছিল।লগতেই ককাটোক তেওঁলোকে হস্পিতাললৈ লৈ গৈছিল।তাত ককাক এটা বেজী দিছিল আৰু অলপ ঔষধ দি ঘৰলৈ পঠাই দিছিল। ককা সুস্থ হৈছিল।

: মানে কিয়ৰ (cure)হৈ গ'ল?

: নাই,মাজৰাতিৰ পৰা আকৌ পেটৰ বিষ আৰম্ভ হৈছিল। লাহে লাহে পেটটো ফুলি গৈছিল। ঘৰৰ আটায়ে ভয়ত টিপৌটিপৌ হৈছিল। পিছদিনা কাউৰী পুৱাতেই

: কি আকৌ কাউৰীপুৱা?

: মানে আৰলি মৰনিং, তেওক আকৌ নাৰ্চিং হ'মলৈ লৈ গৈছিল। ডাক্তৰে চাই তাত তেওঁক এডমিট কৰি দিছিল।নাকে মুখে এগাল পাইপ ভৰাই দিছিল। বেজী,চেলাইনেৰে ককাটোক যতে ততে খুচিছিল।ককাটোৰ যিটো বেমাৰ ধৰা পৰিছিল তাৰবাবে তেওঁক একো খাব দিয়া নহৈছিল।ককাই বৰ দুখ পাইছিল জানি তেওঁৰ যিটো বেমাৰ হৈছিল সেইটো বেয়া বস্তু খোৱা মানুহৰহে হয়।কিন্তু ককাটোৱে সেইবোৰ একো নাখাইছিল।

: দুদিন পাছৰ পৰা তেওঁ ভুল বকিব আৰম্ভ কৰিছিল।মানসিক ভাৰসাম্য হেৰুৱাৰ দৰে হৈ পাহৰি গৈছিল তেওঁ কোন,ক'ত আছে। লগ কৰিব যোৱা সকলোকে কেৱল কিবা এটা খাব দিবৰ বাবে হাত পাতিছিল।কিন্তু ডাক্তৰে কাঢ়াকৈ কৈছিল তেওঁক একো খাব নিদিবৰ বাবে। তেওঁ প্ৰথমে জানিবুজি কৰিছে ভাবি কুঁহিয়ে মাজে মাজে গালি দিছিল দুটা এটা। তেতিয়া তেওঁ সৰু কেচুৱাৰ দৰে চুপ হৈ গৈছিল ।

: কুঁহি জনী দুষ্ট আছিল ন' আইতা?

: তাই দুষ্ট নাছিল কলিজা,তাই বুজি পোৱা নাছিল অ'।

: তথাপি পেচেন্টক গালি পাৰিব নালাগে বুলি তাই নাজানে নেকি?

: হয়, সেইটো তাইৰ বৰ ডাঙৰ ভুল হৈছিল। আজিও ৰিগ্ৰেট কৰে তাই।

: কুঁহি মানে সঁচা নেকি আইতা??

: সাধু শুনা।

তাৰপাছত লাহে লাহে ককাটোৰ গা বেছি বেয়া হৈ গৈছিল। কোনো মেডিচিনে কাম নিদিয়াত ডাক্তৰজনে আৰু ডাঙৰ নাৰ্চিং হ'মলৈ  পঠাই দিছিল। ইতিমধ্যে ককাটোৱে সকলোকে পাহৰি পেলাইছিল।

: ইমান পেইনফুল আইতা! ককাটোৰ লগত কোন কোন গৈছিল?

: আইতাজনী, কুঁহি আৰু তাইৰ গিৰিয়েকটো।

: আইতা জুহি জনী ক'ত গ'ল?

: তাইৰ পৰীজনী বেবী হৈ থকাৰ বাবে তাই ঘৰতে আছিল। ডাঙৰ নাৰ্চিংত ডাক্তৰবোৰে পৰীক্ষাৰ ওপৰত পৰীক্ষা কৰিছে। মেডিচিনৰ ওপৰত মেডিচিন। নাই একো লাভ হোৱা নাছিল। ২ নম্বৰ দিনা আই চি ইউত চিফ্‌ট কৰিছিল ককাক। ইফালে আইতাহঁতৰ ভয়ত অৱস্থা নোহোৱা হৈছিল। কিন্তু কুহিজনী বৰ সাহসী আছিল। তাই আৰু তাইৰ গিৰিয়েকে আইতাজনীক বহুত সাহস দি আছিল।

: ককাটোৰ ঘৰত আৰু বেলেগ মানুহ নাছিল নেকি আইতা?

: আছিল। তেওঁলোক সকলোৱে গৈ খবৰ লৈছিল। কিন্তু ককাটোৱে কেৱল জোঁৱায়েকটোকহে বেছি কাষত বিচাৰিছিল। কোনো ধৰণৰ ট্ৰিটমেণ্টে কাম নিদিয়া ককাটোৱে শেষৰ ফাললৈ কাকো চিনি পোৱা নাছিল। মাত্ৰ কুহিয়ে তাই কোন বুলি সুধোতে ককাই কৈছিল তাই কুঁহি বুলি। ককাটোৱে হাতৰ চেলাইনৰ পাইপবোৰ টানি আজুৰি খুলি পেলাইছিল আৰু বিচনাৰ পৰা নামি আহিবৰ চেষ্টা কৰা বাবে শেষত নাৰ্চে আহি তেওঁৰ হাত দুটা বান্ধি দিছিল। কুহিয়ে ককাৰ সেই ৰূপ দেখি উচুপি উঠিছিল কিন্তু মাকৰ আগত একো প্ৰকাশ হ'ব দিয়া নাছিল। সদায় ৰাতি ৰাতি তাই আৰু গিৰিয়েক মূৰ আৰু ভৰি শিতানত বহি ৰখীয়া হৈ আছিল। পাঁচ নম্বৰ দিনা দুপৰীয়া ককটোৱে হঠাতে আইতাৰ গালে মুখে হাত ফুৰাই কপালত চুমা এটা খাইছিল । তাৰ পাছত জোঁৱায়েকক ঘৰলৈ যাব কৈছিল।

: তাৰমানে ককাৰ ভাল হ'ল। ইয়ে....

: নহয় মা, মায়াবোৰহে কাষৰ পৰা আঁতৰাই পঠাব চেষ্টা কৰিছিল। আবেলিৰ পৰা তেওঁ শুইছিল। অনবৰতে কথা কৈ থকা মানুহজন নিস্তব্ধ হৈ পৰিছিল। সকলোৱে ভাবিছিল তেওঁৰ ভাল হৈছে। ভাগৰ লগাৰ বাবে টোপনি গৈছে। সন্ধিয়াৰ পৰা তেওঁৰ তিৰকপে জ্বৰ উঠিছিল। চিনেমাৰ দৰে ডাক্তৰ নাৰ্চবোৰে দৌৰাদৌৰি কৰি ঔষধ দিছিল। নাই তেওঁ টেবলেটেই গিলিব নোৱাৰিছিল। অক্সিজেন মাস্ক লগাই দি ডাক্তৰে সকলোকে ৰেষ্ট কৰিব দিছিল। সকলো শুইছিল কিন্তু কুঁহিয়ে দেউতাকৰ ভৰিশিতানত বহি দেউতাকৰ মুখখনলৈ চাই বহি আছিল। দেউতাকৰ দাড়িৰে ভৰি পৰা মুখখন চাই তাই ভাবিছিল ঘৰলৈ গৈয়ে দাড়িবোৰ কটাই দিয়াব লাগিব। তেনেকে বৰ তেওঁক বৰ বেয়া দেখাইছিল। তাই হঠাত লক্ষ্য কৰিলে বাওফালে মুখ কৰি শোৱা ককাটোৰ বাওঁ চকুৰ পৰা চকুপানী বাগৰি পৰিছে আৰু সোঁচকুৰ পৰা নিগৰা পানীটোপাল নাকৰ গুৰিত জমা হৈ আছিল আৰু পেটটোও আগতকৈ বেছি ফুলি গৈছিল। তাই ঘড়ীটোলৈ চাইছিল। পুৱা ৫ বাজিছিল। বাহিৰত মূষলধাৰ বৰষুণ। তাই লৰালৰিকৈ মাকহঁতক জগাই দি দেউতাকৰ গাত হাত দি চাইছিল। ককালৰ পৰা ভৰিলৈকে বৰফৰ দৰে চেঁচা আৰু ককালৰ পৰা ওপৰছোৱা হাত পুৰি যোৱাকৈ গৰম আছিল। ডাক্তৰক খবৰ দিয়াত ডাক্তৰে তৎক্ষণাৎ আকৌ আই চি ইউত তেওঁক লৈ গৈছিল। অলপ দেৰি পাছত ডাক্তৰে বাহিৰত ৰৈ থকা কুঁহিহতক সিহতৰ লগত কোনোবা ডাঙৰ মানুহ আছে নেকি সুধিছিল। তাই কৈছিল যি ক'ব লগা আছিল তাইকে কবৰ বাবে। তাইক দেউতাকৰ ওচৰলৈ লৈ যোৱা হৈছিল। দেউতাকক দেখি তাই চকু মুদি দিছিল। ইমানগাল পাইপেৰে তেওঁক মেৰিয়াই থৈছিল যে তাইৰ সহ্য নহৈছিল সেইবোৰ দেখি।

: আইতা সেইটো ভেণ্টিলেচন বুলি কয়।

: ওমম। জীৱনত প্ৰথম দেখিছিল তাই সেইবোৰ তাকো তাইৰ জন্মদাতাৰ লগত। ডাক্তৰে কৈছিল কেৱল ভগৱানৰ ওপৰত আৰু সকলো। তাই ধৈৰ্য ধৰিছিল। মাকৰ মুখখন ভাহি আহিছিল চকুৰ আগত। ঠাইতে সামৰি ৰাখিছিল উজাই অহা বুকুৰ বিষটো আৰু চকুপানীবোৰ। কিবা এটা অশনী সংকেত পাই বাহিৰলৈ ওলাই আহি তাই মাকক কৈছিল,মা তুমি কিবা এটা খাই আহাগৈ। মোৰো ভোক লাগিছে,তুমি আহিলে মই যাম। তাইৰ ভয় লাগিছিল,ইমানদিনে তাইৰ সাহস হৈ থকা গিৰিয়েকটোকো দেউতাকে

আগদিনা পঠাই দিছিল। মাকে তাইৰ কথামতেই ওলাই গৈছিল আৰু কিবা এটা খাই সিহঁতৰ কেবিনতে অপেক্ষা কৰি আছিল। অলপ দেৰি পাছত ডাক্তৰে তাইক আকৌ ভিতৰলৈ মাতি নিছিল। দেউতাকলৈ চাই তাই চকু দুটা কাষৰ মণিটৰটোলৈ নিছিল। য'ত হাৰ্ট ৰেটবোৰ দেখাই থাকে। কিন্তু তাত তাই পেৰেলেল লাইনৰ বাদে একো নম্বৰ দেখা নাপাই ভয়ে ভয়ে ডাক্তৰ জনৰ মুখলৈ চাই অস্পষ্ট ভাষাৰে কিবা সুধিছিল। ডাক্তৰজনে ৰিপ্লাই দিছিল "হয় তোমাৰ দেউতা আৰু নাই ,আমি বচাব নোৱাৰিলো।" পদ্মজা বৰুৱাৰ চকুৰে নিগৰা এটোপাল চকুপানী নাতিনীয়েকৰ গালতে পৰাত তাই উঠি বহি আইতাকৰ চকুপানী মচি দি কৈছিল

: তুমি কান্দিছা আইতা? মোৰো দুখ লাগি গৈছে। তাৰপাছত কি হ'ল কোৱা সেই আইতাজনী আৰু কুঁহিৰ।

: ডাক্তৰে ককাটো ঢুকাল বুলি কোৱা শুনি কুঁহিয়ে তললৈ চাই হাত দুটা টানকৈ মুঠি মাৰি ধৰিছিল ,যেন তাইৰ সমস্ত ধৈৰ্য সেই মুঠি দুটাতেই আৱদ্ধ কৰি পেলাইছিল। তাই নোৱাৰে সেই মুঠি খুলিবলৈ। এবাৰ যদি খোল খাই তেন্তে নোৱাৰিব তাই একো চম্ভালিব।গতিকে দীঘল দীঘল উশাহ লৈ তেনেকৈয়ে তাই মৃত দেউতাকৰ ভৰি শিতানত বহি ভৰি দুখন চুই সেৱা আৰু কপালত এটা চুমা খাই উজাই অহা শোকখি নি হেঁচামাৰি ধৰি দৌৰ মাৰিছিল মাকৰ ওচৰলৈ। হঠাত তাই সচকিত হৈছিল নাই তাই নোৱাৰে মাকৰ ওচৰলৈ এনেকৈ যাবৰ বাবে। তাই সংযত হেছিল আৰু তাইৰ গিৰিয়েকলৈ ফন কৰি কৈছিল দেউতাকৰ ভাল হৈছে,তাই একেবাৰেই তেওঁক লগত লৈ যাব। কিন্তু সি তাইৰ কথাবোৰৰ উমান পাই বৰষুণতেই দৌৰিছিল কুঁহিৰ ওচৰলৈ। কুঁহিয়ে বৰ সাৱধানে মাকৰ ওচৰ পাই আঠুকাঢ়ি বহি লৈ মাকক কৈছিল, "তুমি আজিৰ পৰা আৰু বেছি সাহসী আৰু শক্তিশালী হ'ব লাগিব মা, তুমি ধৈৰ্য ধৰিব লাগিব মোৰ বাবে তোমাৰ নিজৰ বাবে,জুহিৰ বাবে। "মাকে একো তত নোপোৱাত তাই মাকৰ কপালৰ ৰঙা ফুটটো আতৰাই দিয়াত মাকে চিঞৰিছিল।তাই নোৱাৰিছিল মাকৰ সেই হিয়া ভগা কান্দোনৰ সাক্ষী হৈ ৰবলৈ গতিকে মাহীয়েক আৰু খুৰাকহতক মাকৰ লগত থৈ প্ৰথমে আকৌ গৈছিল আই চি ইউলৈ।তাত ডাক্তৰজনক লগ কৰি দেউতাকৰ বাবে নিয়া মেডিচিনৰ ব্যৱহাৰ নোহোৱা খিনি উভতাই লৈ ফাৰ্মাচী খনলৈ গৈছিল যৰ পৰা অলপ

আগতে তাই দেউতাকৰ বাবে ঔষধ কিনিছিল।তাত মেডিচিন খিনি ৰিটাৰ্ণ কৰি তাই ৰেচিপচনিষ্টৰ ওচৰত তাই দেউতাকৰ দেথ চাৰ্টফিকেট বনাবৰ বাবে গৈছিল।তাৰপৰা চাৰিটা এ টি এমৰ পৰা মুঠ আশীহাজাৰ টকা অকলে উলিয়াই আনি বিল পে কৰিছিল। তাৰ মাজতে আকৌ মৃত দেউতাকক ঘৰলৈ নিবৰ বাবে এমবুলেঞ্চ এখনো ঠিক কৰি আহিছিল।

: বাপৰে আইতা, চি ওৱাজ এ ভেৰি ব্ৰেভ গাৰ্ল।

: ইয়েচ চি ইজ। তাৰপাছত তাই কেবিনলৈ মাকৰ ওচৰলৈ ওভতি গৈ সকলো যোগাৰ হৈ গ'ল বোলাত দুখৰ মাজতে গৰ্বৰে মাকে কৈছিল ,আজি মোৰ অলপো বেয়া লগা নাই আমাৰ ল'ৰা এটা নহ'ল কিয় বুলি।মোৰ কুঁহিয়ে আজি দহটা ল'ৰাৰ কাম অকলেই কৰিলে শুনিছে বুলি আকৌ কান্দিব ধৰিছিল। ইতিমধ্যে পৰিয়ালৰ মানুহবোৰ লগ হৈছিল গৈ আৰু সকলো কৰণীয় কামবোৰ কৰি ঘৰলৈ উভতি আহি ককাটোৰ মৃতদেহ সৎকাৰ কৰিছিল।

: মানে ফিউনেৰেল চেৰিমণি?

: ওমম। হ'ল আমাৰ সাধু আজি ইমানতে শেষ হ'ল দেই।

অলপ দেৰি নিৰৱতাৰ পাছত তাই মাত দিছিল আইতা

: ককাটোৰ লগত আইতা জনী লগত থকাৰ বাবে ককাৰ বেমাৰ হোৱা লগতেই ডাক্তৰৰ তালৈ লৈ যাব পাৰিলে।কিন্তু তুমিটো ইয়াত অকলে থাকা। তোমাৰ যদি কেতিয়াবা এনেকুৱা হৈ যায় তেতিয়া কি হ'ব।আমি আহি পোৱালৈ যদি তোমাৰ চিৰিয়াচ কণ্ডিচন হৈ যায় তেতিয়া কি হ'ব আইতা? নহ'ব এইবাৰ মই তোমাক এৰি কলৈকো নাযাওঁ। হয় তুমি আমাৰ লগত যাবা নহয় আমি ইয়াতে থাকিম। মামা আইতাওটো মামা মামীৰ লগত দিল্লীত থাকে। গতিকে তুমিও আমাৰ লগতে থাকিব লাগিব।

: কিন্তু মা....

: চইছ ইজ ইয়'ৰচ

পুতেক বোৱাৰীয়েকে বাৰাণ্ডাৰ পৰা আয়েক-নাতিনীয়েকৰ কথোপকথন শুনি আছিল। পুতেকে ৰস পাই কৈছিল " এইবাৰ ক'ত সাৰিবা? আমি অত' বছৰে কৰিব নোৱাৰা কামটো আজি আমাৰ কলিজাই কৰিব এতিয়া"।

: কোৱা আইতা কি কৰিবা, কোৱানা। জানা আইতা মোৰ গ্ৰেণ্ডপাটো নায়েই, তোমাকো এৰিব মন নাই অ'। মোৰো মন যায় ন' এনি,মেৰি ,এনড্ৰি,জেমচ্ হতৰ নিচিনাকৈ গ্ৰেণ্ডমাৰ লগত ইভিনিং ওৱাকত যাব,খেলিব, সাধু শুনিবৰ বাবে। চ' প্লিজ আইতা না নকৰিবা।

নাতিনীয়েকৰ মৰমৰ আব্দাৰৰ আগত যেন হাৰি গৈছিল পদ্মজা বৰুৱা। তাইক কি ক'ব নক'ব ভাবি থাকোঁতেই তাই বাৰাণ্ডাত থকা মাক-দেউতাকক দেখি চিঞৰিছিল " মা, আইতাৰ কাপোৰবোৰো পেকিং কৰি দিবা আৰু দেতা ওৱান ম'ৰ ফ্লাইটচ্ টিকট ওইথ আচ"।

তাইক দুখ দি না কবলৈ একেবাৰেই মন নগ'ল পদ্মজা বৰাৰ। আচৰিত হৈছিল আজি-কালিৰ ল'ৰা-ছোৱালীবোৰে ইমান কম বয়সতেই ইমান কথা অনুধাৱন কৰিব পাৰে। আচৰিত হৈছিল আইতাকৰ প্ৰতি তাইৰ চিন্তা হোৱা দেখি। তাৰপাছত জোনাকত দেও দি দি নাচি থকা নাতিনীয়েকৰ মুখলৈ চাই তেওঁ ভাবিলে তাইওটো বৰা বংশৰে তেজ।

সমাপ্ত

©বৰ্ণালী
borah.barnali@gmail.com